# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-10-2024 **Time :** 21-25 Hrs

***Assamese Night Bulletin***

**:::::::::::::::::::::::::::::::::**

উচ্চতম ন্যায়ালয়ে অসমত বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ, ১৯৭১ চন বাহাল থাকিব বুলি কৰা ৰায়দানক ঐতিহাসিক হিচাপে অভিহিত কৰিব নোৱাৰি বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰে। তেওঁ কয় যে অসমৰ গৰিষ্ঠ সংখ্যক লোকে ১৯৫১ চন বিদেশী নাগৰিক চিনাক্তকৰণৰ ভিত্তিবৰ্ষ হোৱাটো বিচাৰিছিল। এই ৰায়ে মনত সুখ আৰু দুখৰ মিশ্ৰিত অনুভূতিৰ সৃষ্টি কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয় যে অসমবাসীয়ে সকলো প্ৰত্যাহ্বান নেওচি সফলতাৰ পথত আগবাঢ়ি আহিছে আৰু ভৱিষ্যতেও আগবাঢ়ি যাব। উল্লেখযোগ্য যে যোৱা ১৭ অক্টোবৰত ন্যায়ালয়ে অসম সন্মিলিত মহাসংঘৰ আবেদনৰ ভিত্তিত গোচৰটোৰ শুনানি গ্ৰহণ কৰিছিল।

০০০০০০০০

বিদেশ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ দুদিনীয়া ইণ্ডোনেছিয়া ভ্ৰমণৰ সামৰণি পৰিছে। ভ্ৰমণকালত আজি তেওঁ ইণ্ডোনেছিয়াৰ সাংসদ ভৱনত দেশখনৰ নৱ-নিৰ্বাচিত ৰাষ্ট্ৰপতি প্ৰবোৱো সুবিয়াণ্টো আৰু উপ-ৰাষ্ট্ৰপতি জিব্ৰান ৰাকাবুমিং ৰাকাৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত উপস্থিত থাকি শ্ৰী মাৰ্ঘেৰিটাই দুয়োগৰাকী নেতাক ভাৰতৰ প্ৰধানমন্ত্ৰীৰ হৈ শুভেচ্ছা জ্ঞাপন কৰে। তদুপৰি এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে ইণ্ডোনেছিয়াত থকা ভাৰতৰ আগশাৰীৰ কোম্পানীসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতেও মত বিনিময় অনুষ্ঠানত অংশ লয়। উল্লেখযোগ্য যে ইণ্ডোনেছিয়া ভাৰতৰ সামগ্ৰিক বিকাশ নীতিৰ অংশীদাৰী ৰাষ্ট্ৰ আৰু দেশখনৰ নৱ-নিৰ্বাচিত ৰাষ্ট্ৰপতিৰ শপত গ্ৰহণ অনুষ্ঠানত বিদেশ ৰাজ্যমন্ত্ৰীগৰাকীৰ উপস্থিতিয়ে দুয়ো দেশৰ দীৰ্ঘদিনীয়া বন্ধুত্বৰ সম্পৰ্কক সুনিশ্চিত কৰিছে। সামাজিক মাধ্যমযোগে এই বিষয়ে অৱগত কৰি মন্ত্ৰী শ্ৰীমাৰ্ঘেৰিটাই চলিত বৰ্ষত ইণ্ডোনেছিয়া আৰু ভাৰতৰ আন্তঃসম্পৰ্কৰ ৭৫ বছৰ পূৰ্তিত সন্তোষ প্ৰকাশ কৰে। আজি শপত গ্ৰহণৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰীয় সংগ্ৰহালয়ো পৰিদৰ্শন কৰে আৰু দেশখনৰ স্বাধীনতা আন্দোলনৰ সেনানীসকললৈ শ্ৰদ্ধা নিবেদন কৰে।

০০০০০০০০

স্তনৰ কৰ্কট ৰোগৰ সজাগতা মাহ উপলক্ষে ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰৰ উদ্যোগত আৰু দীপশিখা ফাউণ্ডেশ্যন গুৱাহাটীৰ সহযোগত দুদিনীয়াকৈ স্তনৰ কৰ্কট ৰোগ সম্পৰ্কীয় এটা সজাগতা কাৰ্যসূচীৰ আয়োজন কৰা হয়। বৰবৰুৱা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, চাবুৱা গ্ৰাম্য স্বাস্থ্য প্ৰশিক্ষণ কেন্দ্ৰ আৰু ডিব্ৰুগড় প্ৰসূতি আৰু স্ত্ৰী ৰোগ বিশেষজ্ঞ সমিতিৰ সক্ৰিয় সহযোগত অনুষ্ঠিত কাৰ্যসূচীত দীপশিখা ফাউণ্ডেশ্যনৰ স্তনৰ কৰ্কট ৰোগৰ ভ্ৰাম্যমাণ পৰীক্ষণ বাহনৰ জৰিয়তে ৰাইজক বিনামূলীয়া সেৱা প্ৰদান কৰা হয়। সজাগতা সভাত ডাঃ ৰীনা আহমেদ আৰু ডিব্ৰুগড়ৰ প্ৰসূতি আৰু স্ত্ৰী ৰোগ বিশেষজ্ঞ সমিতিৰ চিকিৎসকসকলে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। লেপেটকটাৰ চ্যুকাফা ভৱনত অনুষ্ঠিত কাৰ্যসূচীত বিপুল সংখ্যক স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।

০০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ বেটী বচাও, বেটী পঢ়াও আঁচনিৰ অধীনত মাজুলী জিলা সমাজ কল্যাণ বিভাগৰ দ্বাৰা গড়মূৰ কাছাৰী ময়দানত আজি মাজুলী জিলাভিত্তিক এখন এদিনীয়া মহিলা ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিধায়ক ভূবন গামে প্ৰতিযোগিতাখন উদ্বোধন কৰে। অনুষ্ঠানত জিলা আৰক্ষী অধীক্ষক, অতিৰিক্ত জিলা আয়ুক্তকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

যোৰাহটৰ পৰিবহণ বিভাগৰ উদ্যোগত যান-বাহন আৰক্ষী আৰু ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডৰ উপস্থিতিত আজি ডাম্পাৰ চালকসকলৰ বাবে বিশেষ পথ সুৰক্ষা সজাগতা অভিযান সম্পন্ন হয়। অভিযানত চালকসকলক সমাগত শীতকালত নিৰাপদে গাড়ী চলোৱাৰ বাবে প্ৰয়োজনীয় সুক্ষ্ম দিশসমূহৰ বিষয়ে অৱগত কৰা হয়। সজাগতা কাৰ্যসূচীত প্ৰায় ৭০জন চালক আৰু ডাম্পাৰৰ স্বত্বাধিকাৰীয়ে অংশগ্ৰহণ কৰে।

ইফালে, যান-বাহন বিভাগৰ উদ্যোগত অনুষ্ঠিত আন এখন সজাগতা সভাত ২ নম্বৰ বামুণগাঁৰৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনৰ গাড়ীচালক আৰু সহযোগীসকলক গাড়ী চলোৱাৰ লগতে গাড়ীৰ যন্ত্ৰ সম্পৰ্কীয় প্ৰশিক্ষণ দিয়া হয়।

০০০০০০০০

গোৱালপাৰা সাহিত্য সভা আৰু আগিয়া শতদল শাখা সাহিত্য সভাৰ সহযোগত সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱাৰ ডেৰশ বছৰীয়া জয়ন্তী আজি দিনজোৰা কাৰ্যসূচীৰে উদ্যাপন কৰা হয়। আগিয়াৰ জে এন মেম'ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজন কৰা অনুষ্ঠানত সাহিত্য সভাৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, কেন্দ্ৰীয় ৰামধেনু অনুষ্ঠান আদি হাতত লোৱা হয়। দুপৰীয়া মুকলি সভা অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ উপ-সভাপতি ডাঃ গিৰীশ সন্দিকৈয়ে সভাপতিত্ব কৰা সভাখনত বিশিষ্ট সাহিত্যিক ডং বসন্ত কুমাৰ গোস্বামীয়ে সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা স্মাৰক বক্তৃতা প্ৰদান কৰে।

০০০০০০০

গোলাঘাট জিলাৰ নুমলীগড় শোধনাগাৰ লিমিটেডৰ উদ্যোগত আৰু জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ৰ সহযোগত আজি জিলাখনত ফিট ইণ্ডিয়া স্বচ্ছতা ফ্ৰীডম ৰানৰ পঞ্চম সংস্কৰণৰ আয়োজন কৰা হয়। জিলা ক্ৰীড়া বিষয়া বিমল গগৈ আৰু প্ৰাক্তন আন্তঃৰাষ্ট্ৰীয় ফুটবল খেলুৱৈ হেৰল্ড চাংমাই মুকলি কৰা এই কাৰ্যসূচীত শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰৰ যুৱ-পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে ২০২০ চনত স্বাধীনতা দিৱস আৰু গান্ধী জয়ন্তী উপলক্ষে ফিট ইণ্ডিয়া ফ্ৰীডম ৰানৰ আয়োজন কৰিছিল। জনসাধাৰণৰ স্বাস্থ্য উন্নত কৰাৰ লগতে খোজ কঢ়া আৰু দৌৰাৰ অভ্যাস গঢ়ি তোলাৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে।

০০০০০০০০

সমাপ্ত